**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**

**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ চতুৰ্থ  বিষয় ঃ ভাষা-১ (অসমীয়া)  প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পদ্য পঢ়ি আবৃত্তি কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীয়ে শিক্ষণ-শিকন সামগ্ৰীৰ সহায়ত পাঠৰ অন্তৰ্ভুক্ত আৰু পাঠ বহিৰ্ভূত (সহজ-সৰল গল্প, সাধু কাহিনী আদি) পাঠ শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে সলসলীয়াকৈ পঢ়ি বুজিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎ লোকৰ জীৱনী পঢ়িব আৰু তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জানিব, বুজিব আৰু অনুপ্ৰাণিত হ'ব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) মোৰ দেশ ভাল | - | পাঠ নং ১ |
| খ) মানুহৰ মাজলৈ কাপোৰ কেনেকৈ আহিল। | - | পাঠ নং ২ |
| গ) কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা | - | পাঠ নং ৩ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

অসম চৰকাৰৰ উদ্যেগত আমাৰ বিদ্যালয়সমূহত গুণগত শিক্ষাৰ প্ৰতি লক্ষ্য কৰি পতা গুণোৎসৱ আৰু ৰাষ্ট্ৰীয়পাৰদৰ্শিতামূলক জৰীপ (National Achivement Survey-NAS) চলোৱা হৈছে — এই সমীক্ষা সমূহ চালি জাৰি চালে এইটো পৰিলক্ষিত হয় যে আমাৰ বিদ্যালয়সমূহত এতিয়াও বহুসংখ্যক ছাত্ৰ-ছাত্ৰী পঠন, লিখন আৰু গণিতৰ ক্ষেত্ৰত বহু পিছপৰি আছে। দেখা গৈছে পঠনৰ ক্ষেত্ৰত চতুৰ্থ শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও পাঠ বহিৰ্ভূত আৰু পাঠৰ অন্তৰ্ভুক্ত সহজ-সৰল সাধু, গল্প, প্ৰৱন্ধ, জীৱনী আদিৰ দফা পঢ়োঁতে, যুক্তাক্ষৰযুক্ত শব্দ পঢ়োঁতে বাক্যত ৰৈ যাবলগীয়া হয়। ফলত শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ সলসলীয়াভাৱে পঢ়াত ব্যাঘাত জন্মে। দফা এটা উল্লেখ কৰি পঢ়িবলৈ দিলে দফাটোৰ বিষয়ে প্ৰশ্ন সুধিলে উত্তৰ দিব নোৱাৰে।

এইবোৰৰ উপৰি পঠনৰ আহিলা (যেনে — সহজ-সৰল গল্প, সাধু, কাহিনী আদি) পঢ়ি, বুজি নিজৰ অনুভৱ ব্যক্ত কৰিব নোৱাৰে। আকৌ পদ্য পঢ়ি বুজি আবৃত্তি কৰাৰ ক্ষেত্ৰত বহু ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে।

গতিকে পঠনৰ ক্ষেত্ৰত থকা কৌশলবোৰ আয়ত্তকৰাৰ বাবে এই ক্ষেত্ৰত বাধা দিয়া শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহ চিনি উক্ত ক্ষেত্ৰসমূহৰ বিকাশ সাধন কৰাৰ নিতান্ত প্ৰয়োজন। পঠন এনেধৰণৰ এটা আৱশ্যকীয় কৌশল, যাৰ জৰিয়তে শিশুৱে জ্ঞান আহৰণ কৰি বিভিন্ন বিষয়ৰ/বিভিন্ন দিশৰ জ্ঞান আহৰণ কৰি ভৱিষ্যতে আগুৱাই যাব পাৰে। গতিকে জীৱনত লাভ কৰা কৃতকাৰ্যতাৰ মূল ভেটি হৈছে পঠন। অৰ্থবোধৰ সৈতে পঢ়া মানেই হ'ল পঠন। লিখিত পাঠৰ পূৰ্ণ অৰ্থোদ্ধাৰ কৰাত সহায় কৰে পঠনে। পঠনৰ সহায়ত ধাৰণা গঠন হয় আৰু ভাৱৰ সংযোজন ঘটে।

NCF-2005 ত উল্লেখ কথা মত অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকক্ষ আৰু শ্ৰেণীকক্ষৰ বাহিৰত পঠনৰ জৰিয়তে লাভ কৰা জ্ঞান বাস্তৱ জীনত প্ৰয়োগ কৰা উচিত। এই তথ্য সাৰোগত কৰি আমি ক'ব পাৰোঁ যে ছাত্ৰ-ছাত্ৰীয়ে অনুশীলন আৰু মান নিৰূপনৰ জৰিয়তে, অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ জৰিয়তে, শ্ৰেণীকক্ষত আৰু শ্ৰেণীকক্ষৰ বাহিৰত অনুকৰণ আৰু অভ্যাসৰ জৰিয়তে লাভ কৰা পঠনৰ জ্ঞানখিনি বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব লাগে। তেতিয়াহে 'পঠন' কাৰ্য সফল হয়।

আমি জানো যে পাঠ্যপুথিত যথেষ্ট অনুশীলনী, ক্ৰিয়া-কলাপ আদি দিয়াৰ পিছতো ছাত্ৰ-ছাত্ৰী শিকনৰ ক্ষেত্ৰত বহু পাছ পৰি আছে। সেইবাবে এই সমলটোত অলপ সহজ-সৰল আৰু অধিক আকৰ্ষণীয় ৰূপত ক্ৰিয়া-কলাপ, অনুশীলনী আদি সন্নিবিষ্ট কৰা হৈছে। এই ক্ষেত্ৰত উপযুক্ত বন্ধুমূলক শিকন পৰিৱেশ সৃষ্টি কৰি সুন্দৰভাৱে পাঠ পৰিকল্পনা কৰা, খেল-ধেমালি কৰা আদিত গুৰুত্ব দি শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰৰ বিকাশ কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। প্ৰথম সাময়িকীৰ অন্তৰ্গত তিনিটা পাঠৰ অন্তৰ্গত শিকনৰ ফলাফলত থকা ধূসৰ ক্ষেত্ৰ (পঠন) সমূহৰ বিকাশৰ প্ৰচেষ্টাৰ উদ্দেশ্যে এই সমলটি প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ পঠনে মনৰ পৰিধিৰ বিকাশ ঘটোৱাৰ লগতে কল্পনা শক্তিৰো বিকাশ ঘটায়।
⇨ পঠনৰ জৰিয়তে বানান শুদ্ধ হয়।
⇨ পঠনৰ জৰিয়তে লিখনৰ ধাৰণা স্পষ্ট হয়।
⇨ ছাত্ৰ-ছাত্ৰীসকল পঠনৰ জৰিয়তে নতুন জ্ঞানৰ লগত পৰিচয় হয়। তেওঁলোকে তাৰ পৰা আনন্দ উপভোগ কৰাৰ লগতে বিবেচনা, চিন্তন, মনন আদি যোগ্যতা লাভ কৰিব পাৰে।
⇨ পঠনে ছাত্ৰ-ছাত্ৰীক শব্দ আৰু বাক্যৰ অৰ্থোদ্ধাৰ কৰাত সহায় কৰে।
⇨ নিজৰ পাঠ্যপুথিৰ উপৰি পাঠবহিৰ্ভূত আন ছপা সামগ্ৰী পঢ়ি দৈনন্দিন জীৱনৰ সমস্যা সমূহৰ সমাধানৰ চিন্তা-চৰ্চা কৰাত পঠনে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়।
⇨ ছাত্ৰ-ছাত্ৰীয়ে পঢ়াখিনি বুজি, নতুন চিন্তাধাৰাৰে পৰিপুষ্ট হৈ শ্ৰেণীকোঠাটো নতুন চিন্তাধাৰাৰে গতিশীল কৰিব পাৰে।
⇨ ছাত্ৰ-ছাত্ৰীয়ে পঠনৰ জৰিয়তে যুক্তাক্ষৰযুক্ত শব্দ, বাক্য আৰু দফাৰ ধাৰণা শুদ্ধ আৰু স্পষ্টকৈ আয়ত্ত কৰিব পাৰে আৰু যতি, বিৰাম চিহ্ন, প্ৰশ্নবোধক আৰু ভাৱবোধক চিহ্ন চিনি পঢ়া কথাৰ যথাৰ্থ অৰ্থ বুজিব পাৰে।
⇨ ছাত্ৰ-ছাত্ৰীয়ে নামফলক, পোষ্টাৰ, নিৰ্দেশনা আদি পঢ়ি বুজি পাব পাৰে।
⇨ তেওঁলোকে পঠনৰ জৰিয়তে পাঠভিত্তিক আৰু পাঠবহিৰ্ভূত পাঠৰ বাক্য, দফা পঢ়ি, বুজি সেই পাঠৰ দফাবোৰৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ সমৰ্থ হ'ব পাৰে।
⇨ শিক্ষকে পঠন কৌশল নিৰীক্ষণ কৰি যথোপযুক্তভাৱে পঠনৰ জৰিয়তে মান নিৰূপণ কৰিবলৈ সমৰ্থ হ'ব পাৰে।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম?**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি শিক্ষক হিচাপে আমি -
ছাত্ৰ-ছাত্ৰীৰ পঠন কৌশলৰ পদ্ধতিগত বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীক পাঁচটা E ৰ জড়িতকৰণ (engage) আৰু অনুসন্ধান (explore), বিষয়বস্তুৰ ব্যাখ্যা (explain), বিষয়বস্তুৰ বিস্তৃত (elaborate) জ্ঞান লাভ আৰু মূল্যায়ন (evaluation) - এইধৰণৰ বিভিন্ন স্তৰৰ যোগেদি ছাত্ৰ-ছাত্ৰীক অনুশীলনৰ জৰিয়তে বিভিন্ন ক্ৰিয়া-কলাপত প্ৰবৃত্ত কৰোৱাৰ পৰিকল্পনা কৰিব পাৰিম।
⇨ ছাত্ৰ-ছাত্ৰীক ক্ৰিয়া-কলাপৰ সৈতে জড়িত কৰি তেওঁলোকৰ হতুৱাই পদ্ধতিগত পঠনৰ অনুশীলন কৰাব পাৰিম।
⇨ একক আৰু দলীয় ক্ৰিয়া-কলাপৰ মাজেৰে আনন্দদায়ক পৰিৱেশত পঠনৰ ক্ষেত্ৰত থকা শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশৰ বাবে অভ্যাস কৰাব পাৰিম।
⇨ আত্মমূল্যায়নৰ লগতে তুলনামূলক অধ্যয়ন কৰাৰ বাবে সুযোগ পাব পাৰিম।

⇨ নতুন নতুন চিন্তাধাৰাৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা পঠনবোধৰ সৈতে বাস্তৱ জীৱনৰ সম্বন্ধ স্থাপন কৰাৰ দক্ষতা আহৰণ কৰিব পাৰিছেনে নাই, তাৰ মূল্যায়ন কৰিব পাৰিম।

**পঠন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিকন ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধন কৰিবলৈ বিভিন্ন আকৰ্ষণীয় ক্ৰিয়া-কলাপ, ক্ষেত্ৰ অধ্যয়ন, পূৰ্ব পৰিকল্পনা আদি ব্যৱস্থা লোৱা হৈছে। তলত সেইবোৰ উল্লেখ কৰা হ'ল —

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

**মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া)**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পদ্য পঢ়ি আবৃত্তি কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিব। | অংকুৰণ (চতুৰ্থ ভাগ) নিৰ্বাচিত কবিতা/পদ্য, কাগজ, পেঞ্চিল, বোৰ্ড, চ'ক, কবিতাৰ শ্ৰাব্য কেচেট/পাঠ বহিৰ্ভূত নিৰ্বাচিত কবিতা/পদ্য। | দলগত আৰু ব্যক্তিগত ক্ৰিয়া-কলাপৰ জৰিয়তে | ১) অতুল চন্দ্ৰ হাজৰিকাৰ শিশু সাহিত্য সম্ভাৰৰ পৰা কেইটামান কবিতা/পদ্য বাছি পঢ়ি, বুজি আবৃত্তি কৰা<br>২) 'মোৰ দেশ ভাল' কবিতাটো পঢ়ি আবৃত্তি কৰা।<br>৩) 'মোৰ দেশ ভাল, কবিতাটিৰ আধাৰত অন্য এটা দেশ প্ৰেমমূলক কবিতা/পদ্য পঢ়ি আবৃত্তি কৰা। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) শিক্ষণ-শিকন সামগ্ৰীৰ সহায়ত পাঠৰ অন্তৰ্ভুক্ত আৰু পাঠ বহিৰ্ভূত গল্প, সাধু, কাহিনী পঢ়ি সলসলীয়াকৈ ক'ব পাৰিব। | অংকুৰণ (চতুৰ্থ ভাগ), সাধুটোৰ দফা অনুযায়ী ছবি, ওলট-পালটৰ অভিনায়াংশ | দলগত আৰু ব্যক্তিগত ক্ৰিয়া-কলাপৰ জৰিয়তে | ১) টেলিভিচন /ৰেডিঅ'ত পৰিৱেশিত সাধু দেখি /শুনি লিখি পঢ়া।<br>২) 'মানুহৰ মাজলৈ কাপোৰ কেনেকৈ আহিল' কোন জনজাতিৰ সাধু?<br>৩) সাধুটোৰ চৰিত্ৰ কেইটা?<br>৪) সাধুটোত থকা অলৌকিকতাৰ এটা উদাহৰণ দিয়া।<br>৫) ওলট-পালট কবিতাটোৰ অভিনায়াংশ সাধু ৰূপ দি লিখি পঢ়া। | |
| ৩) প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎ লোকৰ জীৱনী পঢ়িব আৰু তেওঁলোকৰ কৰ্মৰাজিআৰু জীৱনশৈলী সম্পৰ্কে জানিব, বুজিব আৰু অনুপ্ৰাণিত হ'ব। | পাঠৰ অন্তৰ্ভুক্ত আৰু পাঠ বহিৰ্ভূত মহৎলোকৰ জীৱনী। | দলগত আৰু ব্যক্তিগত ক্ৰিয়া-কলাপৰ জৰিয়তে | ১) মিউজিয়াম (যাদুঘৰ)লৈ গৈ মহৎলোকৰ ছবিৰ তলত তেখেতসকলৰ জীৱন আৰু কৰ্মৰ বিষয়ে লিখা কথাবোৰ পঢ়া।<br>২) বিষ্ণুপ্ৰসাদ ৰাভা, লক্ষ্মীনাথ বেজবৰুৱা, মহাপুৰুষ শংকৰদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালাৰ চমু জীৱনী সংগ্ৰহ কৰি পঢ়া.<br>৩) মহাপুৰুষ, প্ৰতিষ্ঠিত কবি-সাহিত্যিকৰ জীৱনলেখা চমুকৈ লিখি পঢ়া। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

চুজি বসুমতাৰী বাক্‌সা জিলাৰ এখন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। তেখেতে বছৰটোৰ আৰম্ভনিতে শিক্ষণ-শিকন প্ৰক্ৰিয়া পৰিচালনা কৰোঁতে পদ্য পঢ়ি, আবৃত্তি কৰাৰ কৌশল আয়ত্ত কৰাবলৈ কেনেধৰণৰ ক্ৰিয়া-কলাপ লৈছে চাওঁ আহক —

**প্ৰস্তুতি ঃ**

বসুমতাৰী বাইদেৱে শ্ৰেণীকোঠালৈ যোৱাৰ আগতেই এটা সুন্দৰ পৰিকল্পনা কৰিছিল। তেখেতে প্ৰথমে এটা কবিতাৰ শ্ৰব্য কেচেট শুনাইছিল আৰু কবিতা আবৃত্তি কৰাৰ কৌশল সম্পৰ্কে অৱগত কৰাইছিল। ইয়াৰ পাছত তেখেতে কিছুমান সামগ্ৰী সংগ্ৰহ কৰিছিল । সামগ্ৰীসমূহ এনেধৰণৰ —

⇨ নিৰ্বাচিত কবিতা/পদ্য, কাগজ, কলম, চক, দাস্তাৰ ইত্যাদি।

প্ৰথমে বসুমতাৰী বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলৰ কোনোৱাই পদ্য পঢ়ি আবৃত্তি কৰিব পাৰে নেকি সুধিছিল। যদি কোনো ছাত্ৰ/ছাত্ৰীয়ে আবৃত্তি কৰিব পাৰে, তেন্তে তেওঁক পদ্য পঢ়ি আবৃত্তি কৰিবলৈ দিছিল বিশেষকৈ পঞ্চম শ্ৰেণীৰ 'ফাৰুক'ক মাতি আনি প্ৰায়ে আবৃত্তি কৰিবলৈ দিছিল। কাৰণ যোৱা বছৰ কবিতা/পদ্য আবৃত্তি প্ৰতিযোগিতাত জিলা ভিত্তিক প্ৰথম পুৰস্কাৰটো ফাৰুকেই পাইছিল।

বাকী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ শ্ৰেণীৰ সহপাঠী আৰু ফাৰুকৰ কবিতা/পদ্য আবৃত্তি শুনাৰ পাছত বসুমতাৰী বাইদেৱে ছাত্ৰ-ছাত্ৰীসকলক ৪/৫ টা দলত ভাগ কৰিছিল। ইয়াৰ পাছত বাইদেৱে ছাত্ৰ-ছাত্ৰীসকল আকৰ্ষিত হ'ব পৰাকৈ দৈনন্দিন জীৱনত ব্যৱহৃত শব্দবোৰ ব্যৱহাৰ কৰি নিজে এটা পদ্য লিখিছিল আৰু পদ্যটো আবৃত্তি কৰি দেখুৱাই দিছিল — পদ্যটো হ'ল

কণমানি ধনমণি
খেলোঁ আহাঁ লুকা ভাকু
ইমান যে লাগিব ভাল — ইমান যে লাগিব ভাল
তাৰ পাছত ৰচী টনা।
ৰজা-ৰাণী, পুখুৰী পাৰ
কিমান যে লাগিব ভাল
আমাৰ আজি ভাগৰ নাই
আমাৰ আজি এলাহ নাই
অ সৰু মইনা
অ সৰু মইনা
আহা সবে খেলিবলৈ যাওঁ

চতুৰ্থ শ্ৰেণীৰ লগত খাপ খোৱাকৈ বাতৰি-কাকতৰ পৰা কবিতা/ পদ্য সংগ্ৰহ কৰি বাইদেৱে দুই/তিনিবাৰ পঢ়ি দিয়াৰ পাছত দলত সুৰ লগাই অভ্যাস কৰি প্ৰতিটো দলকে কবিতাটো আবৃত্তি কৰিবলৈ দিছিল।

পদ্যটো পঢ়ি বুজি পালে নে নাই চাবৰ বাবে বসুমতাৰী বাইদেৱে প্ৰশ্ন সুধি নোৱাৰিলে বুজাই দি পুনৰ শুদ্ধ কৰি দিছিল।

⇨ পদ্যটো আবৃত্তি কৰোঁতে বসুমতাৰী বাইদেৱে উপযুক্তভাৱে যতি, বিৰাম চিহ্ন ব্যৱহাৰ কৰি অংগ-ভংগী কৰি দেখুৱাইছিল।

⇨ যি কেইগৰাকী ছাত্ৰ/ছাত্ৰীয়ে অলপ অসুবিধা পাইছিল তেওঁলোকক বেলেগকৈ মাতি নি দল প্ৰস্তুত কৰি পদ্যটো বাৰে বাৰে আবৃত্তি কৰিবলৈ দিছিল।

⇨ অধিক অনুশীলনৰ বাবে বাইদেৱে শিকন কোণত থকা শিশু কবিতা পুথি, শিশু আলোচনীৰ পৰা

কবিতা/পদ্য বাছি লৈ অনুশীলন কৰাইছিল।

⇨ তেখেতে, স্পষ্টতা, শুদ্ধতা, সুৰ, তাল, লয়, অংগ ভংগী আদিৰ ওপৰত বেছি গুৰুত্ব দিছিল, যাতে শ্ৰেণীৰ পৰিৱেশ আকৰ্ষণীয় আৰু আনন্দদায়ক হয়।

***বিঃদ্ৰঃ চুজি বসমতাৰী বাইদেৱে শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক বিশেষ গুৰুত্ব দিছিল।***

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ চুজি বসুমতাৰী বাইদেৱে এনে কি উপায় অৱলম্বন কৰিছিল, যাৰ জৰিয়তে প্ৰতিগৰাকী ছাত্ৰ/ছাত্ৰী আবৃত্তি কৰিবলৈ সক্ষম হৈছিল?

⇨ অতি দুৰ্বল ছাত্ৰ মুক্তিয়াৰ আৰু বাণীৰ বাবে আন কি ধৰণৰ ব্যৱস্থা ল'ব পৰা গ'লহেতেন?

⇨ বিশেষভাৱে সক্ষম শিশু যদি শ্ৰেণীকোঠাত আছে কি বিশেষ পৰিকল্পনা কৰিব পাৰি?

⇨ আবৃত্তি কৰোৱাৰ বাবে অইন কৌশলৰ পৰিকল্পনা কৰিব পাৰি নেকি?

চুজি বসুমতাৰী বাইদেৱে কৰা পৰিকল্পনা সহ ক্ৰিয়া-কলাপৰ আলমত আমি আন ধৰণৰ ক্ৰিয়া-কলাপ কৰিব পাৰোঁ নেকি চাওঁ আহক।

**ক্ৰিয়া-কলাপ - ১** ঃ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পদ্য পঢ়ি আবৃত্তি কৰাৰ কৌশল আয়ত্ত কৰিবৰ বাবে তলত দিয়া ক্ৰিয়া-কলাপটো কৰিব পাৰি।

ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কাৰ্যকৰী কৰিবলৈ গৈ নিম্ন উল্লিখিত শিক্ষণ-শিকন সামগ্ৰী সংগ্ৰহ কৰি ল'ব পাৰি।

⇨ পাঠ্যপুথি, নিৰ্বাচিত পদ্য, কাগজ, পেঞ্চিল, বোৰ্ড, চক ইত্যাদি।

কবিতা/পদ্য পঢ়ি বুজি আবৃত্তি কৰোৱাৰ পৰিকল্পনা অনুসৰি কৰা ক্ৰিয়া-কলাপ কৰিবলগীয়া পদক্ষেপ সমূহ —

⇨ শ্ৰেণীকোঠাটোত বন্ধুত্বসুলভ পৰিৱেশ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীক তেওঁলোকে জনা পদ্য আবৃত্তি কৰিবলৈ দিব পাৰি।

⇨ আটাইতকৈ ভাল হোৱা জনক নিৰ্বাচিত কৰি সেই ছাত্ৰ/ছাত্ৰী গৰাকীক আবৃত্তি কৰিবলৈ সাজু হৈ থাকিবলৈ ক'ব পাৰি।ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীসকলক ৪/৫ টা দলত ভাগ কৰি লৈ চতুৰ্থ শ্ৰেণীৰ ১ নং পাঠ — অতুল চন্দ্ৰ হাজৰিকাৰ দ্বাৰা ৰচিত 'মোৰ দেশ ভাল' পদ্যটো সকলোকে দলত উলিয়াই ল'বলৈ দিব পাৰি। পদ্যটোত ৪ টা শাৰীৰ তিনিটা স্তৱক আৰু ২ শাৰীৰ এটা স্তৱক নিৰ্বাচিত কৰি চাৰিওটা দলক এটা এটা স্তৱক কাগজত লিখি পঢ়িবলৈ দিব পাৰি।

⇨ কেইবাবাৰো পঢ়াৰ পাছত নিৰ্বাচিত কৰি থোৱা ছাত্ৰ/ছাত্ৰী গৰাকীক স্তৱক কেইটা ডাঙৰ ডাঙৰকৈ পঢ়ি আবৃত্তি কৰিবলৈ দিব পাৰি।

⇨ নিৰ্বাচিত ছাত্ৰ/ছাত্ৰী গৰাকীয়ে ৪/৫ বাৰ এইদৰে আবৃত্তি কৰাৰ পাছত প্ৰতিটো দলকে প্ৰদত্ত একোটা স্তৱক আবৃত্তি কৰিবলৈ দিব পাৰি।

⇨ একেবাৰে শেষত সকলো ছাত্ৰ-ছাত্ৰীকে একেলগে গোটেই চাৰিওটা স্তৱক আবৃত্তি কৰিবলৈ দিব পাৰি।

⇨ বিস্মিতা আৰু এলিজাই অলপ কমকৈ শুনে বাবে তেওঁলোকক সন্মুখৰ বেঞ্চত বহিবলৈ দি বিশেষভাৱে অধিক সময় অভ্যাস কৰিবলৈ দি আবৃত্তি কৰিবলৈ দিব পাৰি।

⇨ শেষত পদ্যটোত থকা বিষয়বস্তুৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধি, বুজি নাপালে বাৰে বাৰে বুজাই দিব পাৰি।

⇨ অধিক অনুশীলনীৰ বাবে ঘৰত সহজ কবিতা আবৃত্তি কৰিবলৈ দিব পাৰি।

**ক্ৰিয়া-কলাপ - ২**

শিক্ষণ-শিকন সামগ্ৰীৰ সহায়ত পাঠ বহিৰ্ভূত আৰু পাঠৰ অন্তৰ্গত সহজ সৰল গল্প, সাধু, কাহিনী আদি সলসলীয়াকৈ পঢ়িব পৰা। শিকনৰ ফলাফল প্ৰাপ্তিকৰণৰ বাবে তলত দিয়া ধৰণে ক্ৰিয়া-কলাপ কৰিব পাৰি।

**প্ৰস্তুতি ঃ** এই ক্ৰিয়া-কলাপটোৰ বাবে তলত দিয়া ধৰণে শিক্ষণ-শিকন সামগ্ৰী সংগ্ৰহ কৰি ল'ব পাৰি।

⇨ পাঠ্যপুথি/অংকুৰণ (চতুৰ্থ ভাগ), সাধুটোৰ দফা লিখা কাৰ্ড, কাগজ, পেন, অভিধান ইত্যাদি।

**পদ্ধতি ঃ**

⇨ প্ৰথম সাময়িকীৰ বাবে অন্তৰ্ভুক্ত পাঠ 'মানুহৰ মাজলৈ কাপোৰ কেনেকৈ আহিল' পাঠটো ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথি চাই উলিয়াই লৈ সাধুটোৰ দফাসমূহ এটা এটাকৈ দলত পঢ়িবলৈ দিব পাৰি।

⇨ দফাসমূহ এটা এটাকৈ পঢ়ি শেষ কৰাৰ পাছত টান শব্দৰ অৰ্থ চাবলৈ অভিধান ব্যৱহাৰ কৰিবলৈ দিব পাৰি।

⇨ বিভিন্ন বিষয়বস্তু ভিত্তিক প্ৰশ্ন সুধি ছাত্ৰ-ছাত্ৰীৰ পৰা উত্তৰ বিচাৰি শুদ্ধ উত্তৰ নোপোৱালৈকে পঢ়িবলৈ দিব পাৰি।

⇨ একেবাৰে শেষত "আমি কি শিকিলো" বুলি উল্লেখ কৰি গোটেই সাধুটো পঢ়া হোৱাৰ পাছত সাধুটো পঢ়ি আৰম্ভণিৰ পৰা শেষলৈ কি শিকিলে আলোচনা কৰিব পাৰি।

⇨ সাধুটোৰ কিবা নীতি শিক্ষা আছে নেকি ? বা সাধুটোৱে নিজৰ ব্যক্তিগত জীৱনত বা সামাজিক জীৱনত কিবা প্ৰভাৱ পেলাব পাৰে নেকি ? এনেধৰণে সুধিও ছাত্ৰ-ছাত্ৰীৰ বোধ পৰীক্ষা কৰিব পাৰি।

⇨ গোটেই প্ৰক্ৰিয়াটো কৰি যাওঁতে এটা মন কৰিবলগীয়া কথা হ'ল ছাত্ৰ-ছাত্ৰীয়ে পঠনীয় বিষয়বস্তুটো কি (সাধু নে কাহিনী)জনা উচিত। পঠন কৰোঁতে কিছুমানে মুখস্থ কৰি পঠন কৰে আৰু খৰকৈ পঢ়ে। যি সকলে মনপুতি পঢ়ে তেওঁলোকে লাহে ধীৰে পঢ়ে আৰু ভুলো কৰে। দৰাচলতে ভুল কৰিলেহে শিকন হয়। এই ক্ষেত্ৰত শিক্ষক/শিক্ষয়িত্ৰীয়ে প্ৰশংসাৰ ওপৰত গুৰুত্ব দিব লাগে। কাৰণ প্ৰশংসাই ছাত্ৰ-ছাত্ৰীৰ মনত উৎসাহ/প্ৰেৰণা যোগায়। পাঠ পঢ়ি যাওঁতে যদি পাৰি শিক্ষকে অলপ কষ্ট কৰি ব্যক্তিগত যত্নও ল'ব পাৰে।

⇨ ওপৰঞ্চি ক্ৰিয়া-কলাপ হিচাপে 'ওলট-পালট' কবিতাটো অভিনয়ৰ জৰিয়তে উপস্থাপন (যদি সম্ভৱ হয়) কৰি সাধু হিচাপে লিখি পঢ়িবলৈ দিব পাৰি।

**ক্ৰিয়া-কলাপ - ৩ ঃ** ( প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী পঢ়িব আৰু তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জানিব, বুজিব আৰু অনুপ্ৰাণিত হ'ব পৰাকৈ তলত দিয়া ক্ৰিয়া-কলাপটো কৰিবলৈ দিব পাৰি।)

**প্ৰস্তুতি ঃ** ক্ৰিয়া-কলাপটোৰ বাবে তলত দিয়া শিক্ষণ-শিকন সামগ্ৰী সংগ্ৰহ কৰিব পাৰি।

⇨ পাঠ্যপুথি অংকুৰণ (চতুৰ্থ ভাগ),কাগজ, পেঞ্চিল, মহৎলোকৰ জীৱন আলেখ্যৰ কেছেট।

প্ৰথমে যদি সম্ভৱ হয় সংলাপ/কথোপকথনৰ বা কেছেটৰ জৰিয়তে মহৎ লোকৰ জীৱনীৰ আলেখ্য দেখুৱাই ছাত্ৰ-ছাত্ৰীক লোকজনৰ বিষয়ে জ্ঞান দিয়াৰ পাছত পাঠ্যপুথিৰ পাঠটো উলিয়াই লৈ দলত এটা দফা পঢ়িবলৈ দি লগে লগে দফাটোৰ বিষয়ে প্ৰশ্ন সুধি শুদ্ধ উত্তৰ ছাত্ৰ-ছাত্ৰীয়ে দিয়াৰ পাছত বাকী পাছৰ দফাবোৰ দলগত পঠন কৰি মহৎলোকৰ জীৱনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে জ্ঞাত কৰিব পাৰি আৰু অনুপ্ৰাণিত কৰিব পাৰি। ইয়াৰ পাছত প্ৰশ্নসোধা, উত্তৰ দিয়া, প্ৰতিকাৰ দিয়া প্ৰক্ৰিয়াৰে মহৎ লোকৰ জীৱনী পঢ়ি ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ জীৱন অনুসৰণ কৰিব পাৰিব।

⇨ শেষত দলবিলাকৰ মাজত মহৎলোকৰ জীৱনীৰ বিষয়ে ভাৱৰ আদান-প্ৰদান কৰিব পাৰি।

*বিঃদ্রঃ শ্ৰেণীকোঠাত থকা বিশেষভাবে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

**সাৰাংশ ঃ**

⇨ পদ্য পঢ়ি বুজি-আবৃত্তি কৰাৰ কৌশল আয়ত্ত কৰিব পৰিব।

⇨ পাঠৰ অন্তৰ্গত আৰু পাঠৰ বহিৰ্ভূত সহজ সৰল গল্প, সাধু, কাহিনী আদি সলসলীয়াকৈ পঢ়িব পাৰিব।

⇨ প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী পঢ়িব, তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱন-শৈলী সম্পৰ্কে জানিব আৰু অনুপাণিত হ'ব।

⇨ ভাৱৰ আদান-প্ৰদান (Sharing) কৰাৰ ফলত শ্ৰেণীকোঠাত সহযোগিতামূলক ভাবৰ সৃষ্টি কৰিব পাৰিব।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন —

⇨ অতুল চন্দ্ৰ হাজৰিকাৰ শিশু সাহিত্য সম্ভাৰৰ পৰা কেইটামান কবিতা বাছি লৈ আবৃত্তি কৰা।

⇨ টেলিভিচনত, ৰেডিঅ'ত পৰিৱেশন কৰা সাধুবোৰ চাই/দেখি, শুনি সাধুবোৰ নিজৰ ভাষাত লিখি পঢ়া।

⇨ মিউজিয়াম (যাদুঘৰ)লৈ গৈ মহৎলোকৰ ছবিৰ তলত তেখেতসকলৰ জীৱন আৰু কৰ্মৰ বিষয়ে লিখা কথাখিনি পঢ়া।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

১) 'মোৰ দেশ ভাল' পদ্যটি পঢ়ি আবৃত্তি কৰা?

২) 'মোৰ দেশ ভাল' পদ্যটিৰ আধাৰত অন্য এটা দেশপ্ৰেমমূলক পদ্য পঢ়ি আবৃত্তি কৰা।

৩) 'মানুহৰ মাজলৈ কাপোৰ কেনেকৈ আহিল' এই সাধুটো কোন জনজাতিৰ সাধু?

৪) সাধুটোত কেইটা চৰিত্ৰ আছে?

৫) সাধুটোত থকা অলৌকিকতাৰ এটা উদাহৰণ দিয়া।

৬) সাধুটোৰ কাহিনীভাগৰ পৰা এখন চুটি নাটক লিখি পঢ়া।

৭) বিষ্ণুপ্ৰসাদ ৰাভা, লক্ষ্মীনাথ বেজবৰুৱা, মহাপুৰুষ শংকৰদেৱ, জ্যোতিপ্ৰসাদ আগৰৱালাৰ চমু জীৱনী সংগ্ৰহ কৰি পঢ়া।

৮) মহাপুৰুষ, প্ৰতিষ্ঠিত কবি সাহিত্যিকৰ জীৱন আলেখ্য সংগ্ৰহ কৰি চমুকৈ লিখি পঢ়া।

**প্ৰসঙ্গ পুথি ঃ**

⇨ অংকুৰণ (চতুৰ্থ ভাগ)

⇨ বাতৰি-কাকত, নিৰ্বাচিত গল্প, কবিতা, সাধু।

⇨ অসমীয়া ভাষাৰ ব্যাকৰণ — ড° উপেন্দ্ৰ নাথ গোস্বামী।

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

⇨ মহৎ লোকৰ জীৱনী।

******